জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯৫/২০২০

**কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে আধাৰশিলা স্থাপন কৰিলে মাল্টি মডেল লজিষ্টিক্স পাৰ্কৰ**

## অশোক কাগজ কলৰ ২০০ একৰ ভূমিত স্থাপন হ'ব এই লজিষ্টিক্স পাৰ্ক

## লজিষ্টিক্স পাৰ্ক সম্পূৰ্ণ হৈ উঠিলে ২০ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সৃষ্টি হ'ব ঃ গাডকাৰী

# এই প্ৰকল্পই আন্তঃৰাষ্ট্ৰীয় বজাৰত আত্মপ্ৰকাশ কৰিবলৈ অসমক বিশেষ সুযোগ দিছে ঃ মুখ্যমন্ত্ৰী

**সমাজত সমন্বয় যাতে কোনো কাৰণতে বিনষ্ট নহয়, সেই দিশত সজাগ হৈ থাকিবলৈ ৰাজ্যবাসীক আহ্বান মুখ্যমন্ত্ৰী সোণোৱালৰ**

**দিছপুৰ, ২০ ছেপেম্বৰ ঃ** কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে ভাৰতমালা পৰিযোজনাৰ অধীনত পথ, ৰে'ল, বিমান আৰু জলপথৰ জৰিয়তে পোনপটীয়া যোগাযোগৰ ব্যৱস্থা সম্বলিত দেশৰ ভিতৰতে প্ৰথমখন 'মাল্টি মডেল লজিষ্টিক্স পাৰ্ক'ৰ আধাৰশিলা আজি যোগীঘোপাৰ অশোক কাগজ কলৰ প্ৰায় ২০০ একৰ ভূমিত ভিডিঅ' কনফাৰেন্সযোগে স্থাপন কৰে। যোগীঘোপাৰ প্ৰকল্পস্থলীত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্মৰ লগতে কেইবাগৰাকীও বিধায়ক এই অনুষ্ঠানত উপস্থিত থাকে। ৰাষ্ট্ৰীয় ঘাইপথ ১৭ (৩১/বি) ৰ সৈতে প্ৰত্যক্ষ যোগাযোগ থকাৰ লগতে আকাশ মাৰ্গেৰে নৱনিৰ্মিত ৰূপচী বিমানবন্দৰ আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰ, নদী পথেৰে যোগীঘোপা ৱাটাৰ টাৰ্মিনেল (প্ৰস্তাৱিত) ৰ পৰা আৰু মুখ্য ৰে'ল পথৰ পৰা পোনপটীয়াকৈ এই প্ৰকল্প সংযুক্ত হ'ব। প্ৰতিবছৰে ১৩ এম এম টি পৰ্যন্ত সামগ্ৰী পৰিবহনৰ ক্ষমতা থাকিবলগীয়া এই পাৰ্কে সামগ্ৰী পৰিবহন, মজুতকৰণ, শুল্ক আদায়, পাৰ্কিং আৰু তদাৰকী সংক্ৰান্ত সেৱাৰ একক মঞ্চ হিচাপে কাম কৰিব।

এই উপলক্ষে দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে প্ৰায় ২০ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সৃষ্টি

হ'ব। ১১৭১ কোটি টকা ব্যয়ৰে দুটা পৰ্যায়ত ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্প ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই প্ৰকল্প বাস্তৱায়িতকৰণৰ দিশত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্প যাতে মান সম্পন্ন হয় আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ৰূপায়িত হয় তাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালক ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন প্ৰাধিকৰণৰ কাম-কাজৰ প্ৰতিমাহে পৰ্যালোচনা কৰিবলৈ অনুৰোধ জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়ে ৰাজ্যখনৰ বাবে প্ৰায় ৮০ হাজাৰ কোটি টকা ব্যয়ৰে পথ আৰু দলং নিৰ্মাণ প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই সমূহৰ ভিতৰত ৫ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ১৯ কিঃমিঃ দৈৰ্ঘ্যৰ ধুবুৰী-ফুলবাৰী দলঙৰ কাম অহা ২-৩ মাহৰ ভিতৰতে আৰম্ভ হ'ব। তদুপৰি, গুৱাহাটী-যোগীঘোপা পথটো চাৰিলেনযুক্ত পথ ৰূপে গঢ়ি তোলা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই 'মাল্টি মডেল লজিষ্টিক্স পাৰ্ক'ৰ কাষতে এখন স্মাৰ্ট চিটি গঢ়ি তুলিবৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনাই কয় যে বিগত সময়ছোৱাত কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰালয়ে বৰাক আৰু ব্ৰহ্মপুত্ৰ নদীৰ খননৰ জৰিয়তে বাংলাদেশৰ চট্টগ্ৰাম আৰু মংলা বন্দৰলৈ অসমৰ পৰা সামগ্ৰী ৰপ্তানিৰ পৰিৱেশ গঢ়ি তুলিছে। তেওঁ কয় যে ব্ৰহ্মপুত্ৰ এক্সপ্ৰেছ হাইৱে নিৰ্মাণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি আছে আৰু শীঘ্ৰে মাজুলী-নিমাতিঘাট সংযোগী দলং খনৰ নিৰ্মাণৰ পৰিকল্পনাৰ চূড়ান্ত ৰূপ প্ৰদান কৰা হ'ব। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে 'মাল্টি মডেল লজিষ্টিক্স পাৰ্ক'ৰ কাষতে ঔদ্যোগিক পাম নিৰ্মাণ কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়। তদুপৰি, ব্ৰহ্মপুত্ৰত স্পাইচ জেটৰ সহযোগত ছী প্লেন উৰণৰ ব্যৱস্থা কৰা আৰু ইতিমধ্যে চলি থকা ৰিভাৰ ক্ৰুজ সেৱা অধিক কাৰ্যক্ষম কৰি তুলিবলৈ আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজিৰ দিনটো সমগ্ৰ নামনি অসমৰ বাবে এক স্মৰণীয় দিন বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ বিগত সময়ছোৱাত নামনি অসমৰ ৰাইজে এই অঞ্চলটো চৰকাৰৰ দ্বাৰা অৱহেলিত হৈ অহা বুলি অভিযোগ কৰি আহিছিল। নামনি অসমত কোনো উল্লেখযোগ্য উদ্যোগ নোহোৱাৰ বাবে উন্নয়নৰ ফালৰ পৰা বঞ্চিত হোৱা বুলি জনসাধাৰণে উপলব্ধি কৰি আহিছিল। কিন্তু ২০১৪ চনত দেশৰ শাসনভাৰ গ্ৰহণ কৰিয়েই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূবৰ উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ লগতে অঞ্চলটোৰ এক সুকীয়া পৰিচয় দেশবাসীৰ আগত তুলি ধৰিলে যাৰ ফলত উত্তৰ-পূৰ্বাঞ্চলে দ্ৰুত গতিৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে 'ট্ৰান্সফ'ৰ্মেশ্যন থ্ৰ' ট্ৰান্সপ'ৰ্টেশ্যন' নীতিৰে উত্তৰ-পূবৰ যাতায়াত খণ্ডৰ বিকাশ সাধন কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত অঞ্চলটোলৈ চকুত লগা পৰিবৰ্তন আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূবৰ সম্ভাৱনাৰ সদ ব্যৱহাৰৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক এই অঞ্চলত ৰূপায়িত হোৱা আঁচনিসমূহ পৰ্যালোচনা কৰিবলৈ প্ৰতি ১৫ দিনৰ মূৰে মূৰে পৰিভ্ৰমণ কৰিবলৈ নিৰ্দেশ দিয়াৰ ফলত অঞ্চলটোৰ বিকাশ ত্বৰান্বিত হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰেও ৰাজ্যৰ উন্নয়নক নতুন গতি প্ৰদান কৰিবলৈ ২০১৮ চনত বিশ্ব বিনিয়োগ সন্মিলন আয়োজন কৰিলে। এই সন্মিলনত ২৪০ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ লগতে প্ৰায় ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাট মুকলি হ'ল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ

প্ৰত্যক্ষ হস্তক্ষেপত বঙাইগাওঁ শোধনাগাৰৰ উৎপাদন ক্ষমতা ২.৫ এম এম টিৰ পৰা ৫ এম এম টিলৈ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি, ২৩ হাজাৰ কোটি টকা ব্যয়ৰে নুমলীগড় শোধনাগাৰৰ উৎপাদন ক্ষমতা ৩ এম এম টিৰ পৰা ৯ এম এম টিলৈ বৃদ্ধি কৰাৰ লগতে ৰাজ্যৰ বাঁহৰ সৈতে জড়িত কৃষকসকলক বিশেষ সুযোগ প্ৰদান কৰি প্ৰায় ১৫০০ কোটি টকা ব্যয়ৰে নুমলীগড় শোধনাগাৰ চৌহদতে এটা বায়'ফুৱেল প্লাণ্ট নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। কেৱল পেট্ৰ'লিয়াম খণ্ডতে ৪২ হাজাৰ কোটি টকাৰ বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰিটিছৰ শাসনকালত নদী পথেদি ধুবুৰীৰ বন্দৰৰ পৰা ৰাজ্যত উৎপাদিত সামগ্ৰী বহিঃ বিশ্বলৈ ৰপ্তানি হৈছিল। কিন্তু স্বাধীনতাৰ পিছত তথা পূৰ্বৰ চৰকাৰসমূহৰ অমনোযোগিতাৰ বাবে আমদানি-ৰপ্তানিৰ এই যোগাযোগ ব্যৱস্থা বন্ধ হৈ পৰিল। কিন্তু আজি আধাৰশিলা স্থাপন কৰা এই পাৰ্কে সমগ্ৰ অবিভক্ত গোৱালপাৰা জিলাৰ বাবে এক সুৱৰ্ণ সুযোগ কঢ়িয়াই আনিছে তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত আত্মপ্ৰকাশ কৰিবলৈ অসমক এক বিশেষ সুযোগ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতি আখৰে-আখৰে পালন কৰিলে। আশোক কাগজ কলৰ এই ভূমি ইমান দিনে অব্যৱহৃত হৈ থকাৰ পৰিৱৰ্তে বৰ্তমানৰ চৰকাৰে এই মাল্টি মডেল পাৰ্ক নিৰ্মাণৰ জৰিয়তে অসম চুক্তিখন ৰূপায়ণৰ প্ৰতি থকা নিজৰ দায়বদ্ধতা প্ৰদৰ্শন কৰিলে। আনহাতে, এই প্ৰকল্পৰ নিৰ্মাণকাৰ্য যাতে কোনো কাৰণতে বাধাগ্ৰস্ত নহয় তাৰ বাবে জনসাধাৰণক সামূহিক দায়িত্ব গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অসম চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ জনসাধাৰণৰ সম-বিকাশৰ বাবে নিষ্ঠাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰাক উপত্যকাটো এটা 'মাল্টি মডেল লজিষ্টিক্স পাৰ্ক' নিৰ্মাণ হ'ব। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে বঙাইগাওঁ জিলাৰ বইটামাৰীত এটা ২০০ টি পি ডি ফৰ্মেলিন প্লাণ্ট নিৰ্মাণৰ পদক্ষেপ লোৱাৰ লগতে নামনি অসমৰ স্বাস্থ্য আৰু শিক্ষাখণ্ডৰ বিকাশৰ বাবে ধুবুৰী আৰু কোকৰাঝাৰত চিকিৎসা মহাবিদ্যালয়, বঙাইগাঁৱত অভিযান্ত্ৰিক মহাবিদ্যালয়, গোৱালপাৰাত আৰ্য্যুবেদিক মহাবিদ্যালয় আৰু দক্ষিণ শালমাৰাত চৰকাৰী মহাবিদ্যালয় নিৰ্মাণৰ দৰে পদক্ষেপ লৈছে।

পূৰ্বৰ চৰকাৰসমূহে কেৱল ভাষণ আৰু প্ৰতিশ্ৰুতি দিলে। কিন্তু বৰ্তমানৰ চৰকাৰখনে সৰ্বস্তৰৰ জনসাধাৰণৰ বিকাশৰ বাবে কাম কৰিছে এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ চৰকাৰে ৰাইজৰ সমালোচনাক আৰ্শীবাদ হিচাপে গ্ৰহণ কৰিছে। তেওঁ কয় যে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলি আছে আৰু চলি যাব। কেন্দ্ৰীয় আৰু ৰাজ্য  চৰকাৰৰ পদক্ষেপৰ ফলত ইতিমধ্যে বহু সন্ত্ৰাসবাদীয়ে মূল সুঁতিলৈ ঘূৰি আহিছে। আনহাতে, প্ৰদূষণমুক্ত অসম নিৰ্মাণ কৰিবৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত ৰাজ্যত সেউজ আৱৰণ ২২২ বৰ্গ কিঃমিঃ বৃদ্ধি পাইছে। বিদেশীমুক্ত অসম নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে নিষ্ঠাৰে কাম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কঠোৰ পৰিশ্ৰমেৰে শক্তিশালী অসম নিৰ্মাণ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সমাজত সমন্বয় যাতে কোনো কাৰণতে বিনষ্ট নহয় সেই দিশত সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ ৰাজ্যবাসীক আহ্বান জনায়।

ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে প্ৰস্তাৱিত এই প্ৰকল্পৰ

সফল ৰূপায়ণে ৰাজ্যৰ দৃশ্যপট সলনি কৰিব। সামগ্ৰিকভাৱে ৰাজ্যৰ অৰ্থনৈতিক দিশলৈ পৰিৱৰ্তন আনি এই প্ৰকল্পই পূৰ্বে নদী পথেদি অসমে ব্যৱসায়-বাণিজ্য কৰি যেনেদৰে অৰ্থনৈতিকভাৱে নিজকে শক্তিশালী কৰি তুলিছিল সেই দিন পুনৰ উভতাই আনিব। মন্ত্ৰী পাটোৱাৰীয়ে ভাষণত বৰাক উপত্যকাত এটা 'মাল্টি মডেল লজিষ্টিক্স পাৰ্ক' নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। তেওঁ কয় যে বৰাক উপত্যকা মিজোৰামৰ সৈতে সংযুক্ত আৰু ম্যানমাৰত ভাৰত চৰকাৰৰ অৰ্থ-সাহায্যত নিৰ্মীয়মান চিটুৱে বন্দৰ মিজোৰামৰ নিচেই কাষতে। গতিকে বৰাক উপত্যকাত মাল্টি মডেল পাৰ্ক নিৰ্মাণ কৰিলে পোনপটীয়াকৈ দক্ষিণ-পূব এছিয়াৰ সৈতে অসমৰ ব্যৱসায়িক যোগাযোগ স্থাপন হ'ব।

অনুষ্ঠানত কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী জীতেন্দ্ৰ সিং আৰু কেন্দ্ৰীয় পথ পৰিবহন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী জেনেৰেল ভি কে সিঙে ভিডিঅ' কনফাৰেন্স যোগে ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ যুটীয়া সচিব সুমন প্ৰসাদ সিঙে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়েও ভাষণ প্ৰদান কৰে। আজিৰ কাৰ্যসূচীতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু অশোক কাগজকলৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। অনুষ্ঠানত বৰপেটা সমষ্টিৰ সাংসদ আব্দুল খালেকে ভাৰ্চুৱেলি যোগদান কৰাৰ উপৰি বিধায়কসকল ক্ৰমে অনন্ত মালো, অশ্বিনী ৰায় সৰকাৰ, দীপক ৰাভা, অশোক সিংঘী আৰু ঋতুপৰ্ণ বৰুৱাকে প্ৰমুখ্য কৰি বহু চৰকাৰী উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

**বীঃগঃ**
**২০/১০/২০২০**